**REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 31-08-2026

**Time :** 07.55 Hrs

***Assamese Morning Bulletin***

বিকশিত অসমৰ ভেটি নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰৰ ইনফ্ৰা ভিজনৰ অংশ হিচাপে অহা ৫ বছৰত অসমত বিভিন্ন গুৰুত্বপূৰ্ণ আন্তগাঁথনি প্ৰকল্প ৰূপায়ন কৰিবলৈ ৫০ হাজাৰ কোটি টকা বিনিয়োগত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকে অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। এই বৈঠকত স্বচ্ছ শক্তিৰ দিশত অগ্ৰসৰ হোৱাৰ বাবে গোৱালপাৰাৰ ৰাক্ষসিনী পাহাৰত ৩০ মেগাৱাট শক্তিসম্পন্ন সৌৰ প্ৰকল্পৰ বাবে ৫০০ বিঘা ভূমি আৱণ্টনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি চন্দ্ৰপুৰ, সোণাপুৰ আৰু চাপৰকে ধৰি ৰাজ্যৰ ভিন্ন প্ৰান্তৰ কেইবাটাও অঞ্চলত অসম ঔদ্যোগিক উন্নয়ন নিগমক এহেজাৰ ৭৪ বিঘা ভূমি আৱণ্টনৰ লগতে ধেমাজিত দুগ্ধ উন্নয়ন প্ৰকল্পৰ বাবে ২৭ বিঘা ভূমি আৱণ্টনৰো সিদ্ধান্ত লোৱা হয়। চাহ বাগিচাৰ ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰতো কেইবাটাও নীতি নিৰ্দেশনাত অনুমোদন দিয়া হৈছে।

বৈঠকত গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃগাঁথনিৰ বাবে ১০৯ কোটি টকা আৱণ্টন দিয়াৰ লগতে বিশ্ববিদ্যালয়খনক পৰৱৰ্তী সময়তো ১৪০ কোটি টকা আৱণ্টন দিব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৭ ছেপ্তেম্বৰত উপ-ৰাষ্ট্ৰপতিৰ অসম ভ্ৰমণৰ কাৰ্যসূচীত এই পুঁজি বিশ্ববিদ্যালয়খনক আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। কৰ্কট ৰোগৰ উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ৬০০ কোটি টকা ব্যয়সাপেক্ষে এটা প্ৰ'টন বীম থেৰাপি কেন্দ্ৰ স্থাপনত কেবিনেটে অনুমোদন জনায়। দেশৰ ভিতৰতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত এই বিশেষ যন্ত্ৰ সংযোজিত হোৱা প্ৰথমখন চিকিৎসা মহাবিদ্যালয় হিচাপে চিহ্নিত হ'ব। বান বিধবস্ত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ অৰুণোদয় আঁচনিৰ হিতাধিকাৰীক ছেপ্তেম্বৰ মাহত দুহেজাৰ টকাকৈ ধন মোকলাই দিয়াৰ সিদ্ধান্ত কেবিনেটত গ্ৰহণ কৰা হয়।

(বাইট)

মন্ত্ৰীসভাই ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ দোকানত ৰাজ সাহায্যযুক্ত মচুৰ দাইল আৰু চেনি ১০৫ টকাৰ যৌথ মূল্যৰে বিতৰণ অব্যাহত ৰখাত অনুমোদন জনাইছে। ইয়াৰ ফলত ৭০ লাখৰো অধিক পৰিয়াল উপকৃত হ'ব বুলি আশা কৰা হৈছে।

০০০০০

নেপালত যোৱা বুধবাৰে অহা আকস্মিক বানৰ পাছত ত্ৰিশূলী থ্ৰি একে ধৰি জলবিদ্যুৎ প্ৰকল্পসমূহৰ সুৰংগত আবদ্ধ হৈ পৰা কেইবাশ লোকক উদ্ধাৰৰ বাবে অভিযান তীব্ৰ কৰি তোলা হৈছে। ভাৰত আৰু চীনৰ বিশেষজ্ঞকে ধৰি উদ্ধাৰকাৰী দলে এই লোকসকলৰ সৈতে যোগাযোগৰ চেষ্টা চলাই আছে যদিও বৰ্তমানলৈকে সুৰংগৰ ভিতৰৰ পৰা কোনোধৰণৰ সঁহাৰি লাভ কৰা নাই। এতিয়ালৈকে সন্ধানহীন হৈ থকা দুহেজাৰ ৫০০ লোকৰ ভিতৰত কেইবাশ লোক এই জলবিদ্যুৎ প্ৰকল্পসমূহৰ কৰ্মী আছিল বুলি সন্দেহ কৰা হৈছে। দেশখনৰ এই দুৰ্যোগত কমেও ৭৯৪ জন লোকৰ মৃত্যু হৈছে আৰু দুহেজাৰ ৫০০ৰো অধিক লোক সন্ধানহীন হৈ আছে। তিববতত চৰকাৰী তথ্য অনুসৰি ১৬ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৫৪৬ জন লোক সন্ধানহীন হৈ আছে। উদ্ধাৰকাৰী দলসমূহে নেপালৰ বানত প্ৰভাৱিত আঠোখন জিলাৰ

পৰা মৃতদেহসমূহ উদ্ধাৰ কৰি আছে। ত্ৰিশূলী নদীত কালি নতুনকৈ অহা বানে মধ্য নেপালৰ এখন ওলমা দলং উটুৱাই লৈ যায়।

ইপিনে নেপালৰ বিধ্বংসী বানত আবদ্ধ ৰাজ্যৰ ৮ জন লোক কালি নিৰাপদে দেশলৈ উভতি আহিছে বুলি জানিব পৰা গৈছে।

00000000

মাতৃভাষা ৰক্ষাৰ মাধ্যমেৰেহে নিজৰ পৰিচয় ৰক্ষা কৰিব পাৰি বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি প্ৰকাশ কৰে। অসম জনজাতি ধৰ্ম-সংস্কৃতি সুৰক্ষা মঞ্চৰ উদ্যোগত কালি গুৱাহাটীৰ পাঞ্জাবাৰীৰ শিল্পগ্ৰামত মাতৃভাষা সন্দৰ্ভত আয়োজিত এখন বিশেষ সভাত তেওঁ এই মন্তব্য কৰে। "জনজাতীয় বিশ্বাস , অনুশীলন, পৰম্পৰা আৰু সংস্কৃতি" শীৰ্ষক বিষয়বস্তুৰ ওপৰত আধাৰিত এই কাৰ্যসূচীত মন্ত্ৰীগৰাকীয়ে জনজাতীয় সম্প্ৰদায়ৰ জীৱন দৰ্শনকে ধৰি সাংস্কৃতিক চেতনাৰ বিভিন্ন দিশ সন্দৰ্ভত মত প্ৰকাশ কৰে। তেওঁ কয় যে যুগ যুগ ধৰি চলি অহা বিশ্বাস , মূল্যবোধ, অনুশীলন-পৰম্পৰা আৰু সাংস্কৃতিক চেতনাৰ মাজত এখন ৰাষ্ট্ৰৰ পৰিচয়, প্ৰজন্মৰ পৰা পৰৱৰ্তী প্ৰজন্মলৈ প্ৰবাহিত হয়। তেওঁ লগতে কয় যে ৰাজ্যৰ জনজাতীয় সম্প্ৰদায়ৰ অনন্য সংস্কৃতি আৰু পৰম্পৰা আমাৰ সামূহিক ঐতিহ্যৰ এক অবিচ্ছেদ্য অংশ। এই ঐতিহ্য সংৰক্ষণ কৰাটো অতীত সুৰক্ষিত কৰাৰ লগতে ভৱিষ্যত প্ৰজন্মৰ বাবে নিজৰ শিপা শক্তিশালী কৰাৰ এক ডাঙৰ দায়িত্ব বুলি তেওঁ মত প্ৰকাশ কৰে। 000000

অসম গণ পৰিষদৰ গুৱাহাটী আমবাৰীস্থিত মুখ্য কাৰ্যালয়ত কালি অগপৰ সভাপতি অতুল বৰাৰ অধ্যক্ষতাত কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াৰ এখন বৈঠক অনুষ্ঠিত হয়। অগপৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্ত উপস্থিত থকা এই সভাত সমাগত নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচন, পৌৰ নিগম, পৌৰসভা আৰু স্বায়ত্বশাসিত পৰিষদৰ নিৰ্বাচনকে ধৰি দলৰ সাংগঠনিক দিশৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হয়। শ্ৰীবৰাই অনাগত দিনত দলীয় কাৰ্যকলাপ অধিক গতিশীল কৰি তোলাৰ ক্ষেত্ৰত কেন্দ্ৰীয় সমিতিৰ বিভিন্ন দায়িত্ব থকা বিষয়ববীয়াসকলক প্ৰয়োজনীয় দিহা-পৰামৰ্শ আগবঢ়ায়।

00000000

টিংখাং সমজিলাৰ প্ৰশাসনৰ উদ্যোগত আৰু ৰাজগড়ৰ ড০ ভূপেন হাজৰিকা সমন্বয় ক্ষেত্ৰৰ সহযোগত অহা ৭ ছেপ্তেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ সামৰণি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে স্থানীয় বিধায়ক তথা সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাই কালি টিংখাং সমজিলাৰ বিভিন্ন শিক্ষানুষ্ঠানৰ মুৰব্বী, দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়া তথা অঞ্চলটোৰ ৰাইজৰ সৈতে আলোচনাত মিলিত হয়। ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ সামৰণি অনুষ্ঠান সফলভাৱে অনুষ্ঠিত কৰা সন্দৰ্ভত সকলোৰে দিহা-পৰামৰ্শ লোৱা হয়। আলোচনাত সমজিলা আয়ুক্ত পৰিক্ষিত ফুকন, খণ্ড উন্নয়ন বিষয়া ভাস্কৰ শইকীয়াকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

00000000